**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-12-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আজি ওমানৰ মাস্কাটৰ ৰাজপ্ৰসাদত দেশখনৰ সৰ্বোচ্চ সন্মান **অৰ্ডাৰ অফ ওমান** প্ৰদান কৰা হয়।

২। বিশিষ্ট ভাস্কৰ তথা পদ্মভূষণ সন্মানেৰে সন্মানিত ৰাম সুতাৰৰ মৃত্যুত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ দুখ প্ৰকাশ কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত অনুষ্ঠিত পৰম্পৰাগত ঔষধ সন্দৰ্ভত বিশ্ব স্বাস্থ্য সংস্থাৰ দ্বিতীয় গোলকীয় সন্মিলনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

৪। নেপালৰ ক্ষমতাচ্যুত প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলী দেশৰ কমিউনিষ্ট দল ইউ এম এলৰ অধ্যক্ষ হিচাপে পুনৰ নিৰ্বাচিত হৈছে। ***আৰু***

৫। ভাৰতীয় ৰে'লৱে দেশৰ আঞ্চলিক খাদ্যসম্ভাৰৰ সৈতে যাত্ৰীসকলক পৰিচয় কৰি দিয়াৰ উদ্দেশ্যে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আজি ওমানৰ মাস্কাটৰ ৰাজপ্ৰসাদত দেশখনৰ সৰ্বোচ্চ সন্মান **অৰ্ডাৰ অফ ওমান** প্ৰদান কৰা হয়। ওমানৰ ছুলতান হেইথম বিন টাৰিকে ভাৰত আৰু ওমানৰ মাজৰ সম্পৰ্কক শক্তিশালী কৰাৰ বাবে দূৰদৃষ্টি সম্পন্ন নেতা নৰেন্দ্ৰ মোদীক এই সন্মান প্ৰদান কৰে। উল্লেখযোগ্য যে, ওমান ভ্ৰমণৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই সময়ছোৱাতে দুয়োখন দেশৰ কূটনৈতিক সম্পৰ্কই ৭০ বছৰ সম্পূৰ্ণ কৰিছে। ভাৰত আৰু ওমানৰ মাজৰ ঘনিষ্ঠ সম্পৰ্ক আৰু দুয়ো দেশৰ জনসাধাৰণৰ নামত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সন্মান উৎসৰ্গা কৰা বুলি প্ৰকাশ কৰে।

ইয়াৰ পূৰ্বে দুয়োখন দেশে আজি অৰ্থনৈতিক সম্পৰ্কৰ ক্ষেত্ৰত মাইলৰ খুঁটি স্থাপন কৰা সংহত অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিত কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেল আৰু ওমানৰ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী কুৰেছ আল ইউছুফে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ওমানৰ চুলতান হেইথম বিন তাৰিকৰ উপস্থিতিত স্বাক্ষৰ কৰে। প্ৰধানমন্ত্ৰীয়ে ৰাজভৱনতে আজি দুয়োদেশৰ পাৰস্পৰিক স্বাৰ্থ জড়িত বিষয়সমূহো আলোচনা কৰে। তেওঁলোকে ভাৰত আৰু ওমানৰ কৌশলগত অংশীদাৰিত্ব আৰু দ্বিপাক্ষিক সম্পৰ্কৰ বিষয়েও আলোচনা কৰে।

০০০০

বিশিষ্ট ভাস্কৰ তথা পদ্মভূষণ সন্মানেৰে সন্মানিত ৰাম সুতাৰৰ মৃত্যুত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ দুখ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে শিল্পী ৰাম সুতাৰে ভাস্কৰ্য শিল্পৰে দেশৰ কলা আৰু সাংস্কৃতিক ক্ষেত্ৰখনলৈ অনবদ্য বৰঙণি আগবঢ়াই থৈ গৈছে। শ্ৰীমতী মুৰ্মুৱে কয়, যে প্ৰয়াত সুতাৰৰ ভাস্কৰ্য শিল্পসমূহে বিশেষকৈ ষ্টেচু অব ইউনিটিয়ে দেশৰ চহকী কলা ঐতিহ্যক প্ৰতিনিধিত্ব কৰিছে। প্ৰয়াত শিল্পীগৰাকীৰ পৰিয়াল আৰু তেওঁৰ গুণমুগ্ধসকললৈ সমবেদনা জ্ঞাপন কৰি শ্ৰী মতী মুৰ্মুৱে কয়, যে প্ৰয়াত সুতাৰৰ শিল্পকৰ্মই প্ৰজন্মৰ পাছত প্ৰজন্মক উদ্বুদ্ধ কৰি থাকিব।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে কয়, যে প্ৰয়াত ৰাম সুতৰে ভাৰতীয় শিল্পকলালৈ অনবদ্য অৱদান আগবঢ়াইছে। তেওঁৰ উল্লেখযোগ্য অৱদানসমূহৰ ভিতৰত পৃথিৱীৰ সবাটোকৈ ওখ ভাস্কৰ্য  ষ্টেচু অব ইউনিটি, মহাত্মা গান্ধী আৰু ছত্ৰপতি শিৱাজী মহাৰাজৰ প্ৰতিমূৰ্তি আদিৰ কথাও উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। শ্ৰী ৰাধাকৃষ্ণনে কয়, যে, প্ৰয়াত শিল্পীগৰাকীয়ে সৃষ্টিশীল আৰু উৎসৰ্গীকৃত মনোভাবেৰে কলাৰ পৃথিৱীখনত কাম কৰিছিল আৰু ইয়ে ভৱিষ্যৎ প্ৰজন্মক উদ্বুদ্ধ কৰিব। ৰাম সুতাৰৰ শিল্পকৰ্মই ভাৰতীয় সংস্কৃতি, ঐতিহ্য আৰু বুৰঞ্জীক প্ৰতিফলিত কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰয়াত ভাস্কৰ্যশিল্পী ৰাম সুতাৰক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কয়, যে প্ৰয়াত সুতাৰৰ শিল্পকৰ্মই ভাৰতীয় সংস্কৃতি, সামূহিক শক্তি, বুৰঞ্জী আদিক প্ৰতিফলিত কৰিছে। তেওঁৰ শিল্পকৰ্মই দেশবাসীক অনুপ্ৰাণিত কৰি থাকিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ভাস্কৰ্য শিল্পী ৰাম সুতাৰৰ মৃত্যুত গভীৰ দুখ প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী শ্বাহে কয়, যে সুতাৰৰ মৃত্যু ভাৰতীয় কলা-সংস্কৃতিৰ জগতত অপূৰণীয়  ক্ষতি হৈ ৰ'ব। গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাম সুতাৰে অজন্তা আৰু ইলোৰাৰ ভাস্কৰ্যসমূহ পুনৰ উদ্ধাৰৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত অনুষ্ঠিত পৰম্পৰাগত ঔষধ সন্দৰ্ভত বিশ্ব স্বাস্থ্য সংস্থাৰ দ্বিতীয় গোলকীয় সন্মিলনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে জনসভা সম্বোধন কৰাৰ লগতে আয়ুষ মন্ত্ৰালয়ে গ্ৰহণ কৰা কেইবাখনো গুৰুত্বপূৰ্ণ আঁচনি মুকলি কৰিব। এই অনুষ্ঠানতে আয়ুষ খণ্ডৰ এটা সুকীয়া ডিজিটেল প'ৰ্টেলো মুকলি কৰা হ'ব। তেওঁ লগতে আয়ুষ সামগ্ৰী আৰু সেৱাৰ গুণগত মান সূচীত কৰা আয়ুষ সূচাংকও মুকলি কৰিব।

এই অনুষ্ঠানতে শ্ৰী মোদীয়ে যোগৰ প্ৰশিক্ষণ সন্দৰ্ভত বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰা প্ৰতিবেদন ৰুটছ টু গ্লোবেল ৰিটছ্ ঃ ইলেভেন ইয়েৰ্ছ অব ট্ৰান্সফৰমেছন ইন আয়ুষও মুকলি কৰিব। ভাৰতৰ পৰম্পৰাগত ঔষধী ঐতিহ্যৰ প্ৰতীক হিচাপে অশ্বগন্ধা ডাক টিকটো শ্ৰী মোদীয়ে মুকলি কৰিব। ২০২১ ৰ পৰা ২০২৫ চনলৈ যোগৰ বিকাশৰ ক্ষেত্ৰত আগবঢ়োৱা অসামান্য অৱদানৰ বাবে প্ৰধানমন্ত্ৰীৰ পুৰস্কাৰ লাভ কৰা ভালে কেইগৰাকী ব্যক্তিক তেওঁ কাইলৈ সম্বৰ্ধনা জনাব। এই পুৰস্কাৰে যোগক কল্যাণকামী, সৌহাৰ্দপূৰ্ণ আৰু এখন শক্তিশালী তথা স্বাস্থ্যবান ভাৰত গঢ়াৰ প্ৰতিশ্ৰুতিক প্ৰতিনিধিত্ব কৰিছে।

তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বিশ্ব স্বাস্থ্য সংস্থা আৰু আয়ুষ মন্ত্ৰালয়ে যুটীয়াভাৱে আয়োজন কৰা এই সন্মিলনৰ কাইলৈ সামৰণি পৰিব। সন্মিলনত ভালেসংখ্যক বিশ্ব নেতা, নীতি নিৰ্ধাৰক, বিজ্ঞানী আৰু পৰম্পৰাগত ঔষধ সন্দৰ্ভত বিশেষ জ্ঞান থকা লোকসকল সন্মিলিত হৈছে।

০০০০

নতুন দিল্লীত অনুষ্ঠিত এখন বৈঠকত আজি ভাৰত আৰু নেডাৰলেণ্ডে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত মুক্ত, সৰ্বাত্মক আৰু নীতি নিৰ্ভৰ বিষয়ত দুয়ো দেশৰ প্ৰতিশ্ৰুতিবদ্ধতাত আলোকপাত কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু নেডাৰলেণ্ডৰ বৈদেশিক মন্ত্ৰী ডেভিদ ভেন উইলে দুয়ো দেশৰ প্ৰতিৰক্ষা সহযোগিতা শক্তিশালী কৰাৰ উদ্দেশ্যে নিজ নিজ প্ৰতিশ্ৰুতিবদ্ধতাক দোহাৰে দুয়োগৰাকী নেতাই দ্বিদেশীয় নিৰাপত্তা আৰু প্ৰতিৰক্ষা বিষয়ৰ লগতে প্ৰতিৰক্ষা উপাদানসমূহৰ ক্ষেত্ৰত সমউন্নয়ন আৰু সম-উৎপাদন আদিৰ দৰে অগ্ৰাধিকাৰপ্ৰাপ্ত বিষয়সমূহত আলোকপাত কৰে। দুয়োগৰাকী নেতাই কৌশলগত অংশীদাৰিত্বৰ মূল স্তম্ভ হিচাপে উন্নয়নমূলক প্ৰতিৰক্ষা সহযোগিতাত গুৰুত্ব আৰোপ কৰাৰ বাবে সেনাৰ সহযোগিতা বিষয়তো আলোকপাত কৰে।

০০০০

নেপালৰ ক্ষমতাচ্যুত প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলী দেশৰ কমিউনিষ্ট দল ইউ এম এলৰ অধ্যক্ষ হিচাপে পুনৰ নিৰ্বাচিত হৈছে। দলৰ একাদশ ৰাষ্ট্ৰীয় সন্মিলনত অনুষ্ঠিত নিৰ্বাচনত শ্ৰী অলীয়ে তেওঁৰ প্ৰতিদ্বন্দ্বী ঈশ্বৰ পোখৰেলক পৰাস্ত কৰি তৃতীয়বাৰৰ বাবে দলৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হয়। নিৰ্বাচনত শ্ৰী অলীয়ে এহেজাৰ ৬৬৩ টা ভোট পোৱাৰ বিপৰীতে ঈশ্বৰ পোখৰেলে ৫৬৪ টা ভোট লাভ কৰে।

একাদশ ৰাষ্ট্ৰীয় কংগ্ৰেছতে ইউ এম এলৰ অন্যান্য বিষয়ববীয়াসকলকো নিৰ্বাচন কৰা হয়। শংকৰ পোখৰেল দলৰ সাধাৰণ সচিবৰূপে নিৰ্বাচিত হয়। তেওঁ এহেজাৰ ২২৮ টা ভোট লাভ কৰে। পোখৰেলৰ প্ৰতিদ্বন্দ্বী সুৰেন্দ্ৰ প্ৰসাদ পাণ্ডেই ৯৯৯ টা ভোট লাভ কৰে। দলৰ কেন্দ্ৰীয় নিৰ্বাচক আয়োগৰ মতে উপ-অধ্যক্ষ পদটোৰ বাবে বহুকেইজনে প্ৰাৰ্থীত্ব আগবঢ়াইছিল। ইয়াৰে পৃথবী শুভ গুৰুঙে এহেজাৰ ৭৩৭ টা, বিষ্ণু প্ৰসাদ পৌদেলে এহেজাৰ ৬৭৫ টা, ৰাম বাহাদুৰ থাপাই এহেজাৰ ৫১৬ টা, গোকাৰ্না ৰাজ বিষ্টাই এহেজাৰ ৩৬৮ টা আৰু ৰঘুজী পাণ্টে এহেজাৰ ২৫৮ টা ভোট লাভ কৰে।

একেদৰে উপ-সাধাৰণ সম্পাদকৰ বাবে লেখৰাজ ভট্টাই এহেজাৰ ৪৫২ টা, ৰঘূবীৰ মহাসেঠে এহেজাৰ ৩৬৮টা আৰু য়োগেশ ভট্টাৰায়ে এহেজাৰ ৩৪৮ টা ভোট লাভ কৰে। মহেশ বাছনেটে এহেজাৰ ৫৪৪টা ভোটেৰে দলৰ নতুন সচিবৰূপে নিৰ্বাচিত হৈছে। দলৰ নিৰ্বাচিত অন্যান্য সচিবসকল হৈছে, ছবিলাল বিশ্বকৰ্মা, পদ্মকুমাৰী আৰিয়াল, শ্বেৰধন ৰায়, হিকমট কুমাৰ কাৰ্কি, খজৰাজ অধিকাৰী, য়ামলাল কান্দেল, ৰাজন ভট্টাৰায়, ভানুভক্ত ডকাল।

০০০০

ভাৰতীয় ৰে'লৰে দেশৰ আঞ্চলিক খাদ্যসম্ভাৰৰ সৈতে যাত্ৰীসকলক পৰিচয় কৰি দিয়াৰ উদ্দেশ্যে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। বিভাগটোৱে জনোৱা মতে বন্দে ভাৰত ৰে'লৰ যাত্ৰীসকলকে এতিয়াৰে পৰা মহাৰাষ্ট্ৰ, বিহাৰ, গুজৰাট আৰু ওড়িশাৰ বিশেষ খাদ্যৰ জুতি ল'ব পাৰিব। ৰে'ল মন্ত্ৰালয়ে কৈছে যে, ভাৰতীয় ৰে'ল বিভাগৰ খাদ্য যোগান আৰু পৰ্যটন নিগমৰ সহযোগত যাত্ৰীসকলে আৰামদায়ক যাত্ৰাৰ লগতে দেশৰ বিভিন্ন ঠাইৰ খাদ্য সম্ভাৰ

পৰিৱেশনেৰে ৰে'ল যাত্ৰী অধিক স্মৰণীয় কৰি তোলাৰ প্ৰয়াস কৰিছে। ৰে'ল সমূহত কেৰালাৰ লগতে পশ্চিমবংগ আৰু অন্ধ্ৰপ্ৰদেশৰো পৰম্পৰাগত খাদ্য সম্ভাৰ যোগান ধৰা হ'ব।

০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গ্ৰাম্য উন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে লোকসভাত আজি বিৰোধীয়ে নিজৰ আচৰণৰ জৰিয়তে গণতন্ত্ৰৰ সততাক অৱমাননা কৰা বুলি অভিযোগ উত্থাপন কৰিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে বিকশিত ভাৰত- গ্ৰামীন নিয়োগ আৰু জীৱিকা নিশ্চিতকৰণ অভিযান বিধেয়ক, ২০২৫ চমুকৈ জি ৰাম জি বিল সন্দৰ্ভত আলোচনা চলি থকাৰ সময়ত কৰা বিৰোধীৰ আঁচৰণক গৰিহণা দিছে। শ্ৰী চৌহানে কয়, যে এই বিধেয়কৰ অধীনত পূৰ্বৰ ১০০ দিনৰ নিয়োগ নিশ্চিতকৰণ ১২৫ দিনলৈ বৃদ্ধি কৰা হৈছে। তেওঁ লগতে কয়, যে ইয়াৰ বাবে ইতিমধ্যে পৰ্যাপ্ত পুঁজিৰ প্ৰস্তাৱ দিয়া হৈছে। মুঠ এক লাখ ৫১ হাজাৰ ২৮২ কোটি প্ৰস্তাৱিত পুঁজিৰ নিজৰ অংশ হিচাপে কেন্দ্ৰীয় চৰকাৰে ৯৫ হাজাৰ কোটিতকৈও অধিক টকা আগবঢ়াব।

০০০০

ঃঃ সমাপ্ত ঃঃ